# AISSCE 2020

SET - I

Subject : Assamese
Code :114 Class : XII
Maximum Marks : 80 Time : 3 hours

## BLUE PRINT (FOR LANGUAGES)

| Objective | Knowledge | | | Understanding | | | Application | | | TOTAL | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Form of Questions Content Unit | LA | SA | VSA | LA | SA | VSA | LA | SA | VSA | LA | SA | VSA |
| Comprehension A | | | (3)2 | | (3) 2 | | | | 3(1) | | 12 | 3 |
| WRITING B | (1) 5 | | | 2(5) | | | (1)5 | | | 20 | | 5 |
| C. Grammar | | | (8)1 | | | (4)1 | | | (8)1 | | | 20 |
| D. Literature Prose | (1) 4 | | | 1(4) | | | | | 1(2) | 4 | 2 | 4 |
| Poetry | | 1(4 ) | | 1(4) | | | | | 1(2) | 4 | 2 | 4 |
| Supplementary Reader | | | | | | | | | | | | |
| Sub Total | 5 | 14 | 8 | 18 | 6 | 4 | 5 | | 20 | 28 | 16 | 36 |
| Total | 5 | 14 | 8 | 18 | 6 | 4 | 5 | | 20 | 28 | 16 | 36 |

Note: 1. please put the number of question within brackets and the marks outside the bracket

2.Put(*) to denote that marks have been combined to form one question( different symbols to be used, if there are more than one question of this type).

Summary

Long Answer ( LA) No.5 Marks:37
Short Answer (SA) No.10 Marks:20
Very Short Answer (VSA) No.23 Marks : 23
Scheme of Options :
Scheme of Sections :
Delete whichever is not applicable.

Scanned by CamScanner

# Sample Paper 2020
## Answer Scheme
## Subject : Assamese
**Code - 114**
**Class - - XII**

**Set - 1**

**Time allowed 3 hours**

**Maximum Number : 80**

Section A : Reding (Comprehension) 15 Marks
B : Writing 25 Marks
C : Grammer 20 Marks
D : Literature /Tax Books 20 Marks

## Section - A

1. তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিৰ্দেশ অনুসৰি উত্তৰ লিখা ।

আমাৰ সমাজত প্ৰচলিত যিবোৰ ধাৰণা ভ্ৰান্ত বুলি প্ৰমাণিত হ'লেও তাক অন্ধভাবে পালন কৰা হয় তাকে কু-সংস্কাৰ বুলি কোৱা হয় । আমাৰ দেশৰ বেছিভাগ মানুহ দুখীয়া আৰু অশিক্ষিত হোৱা বাবেই কু-সংস্কাৰসমূহ আঁতৰ কৰিব পৰাৰ বিপৰীতে ই মানুহৰ মনত দলৈকেহে শিপাই গৈছে । আনহাতে বিজ্ঞান হ'ল প্ৰকৃত জ্ঞান, যুক্তি, তৰ্কৰদ্বাৰা প্ৰমাণিত আৰু স্বচ্ছ । বিজ্ঞানে মানুহৰ মনৰ কু-সংস্কাৰ আঁতৰ কৰে ।

মানুহৰ ব্যক্তিগত জীৱনেই হওক বা সামাজিক জীৱনেই হওক, ই কিছুমান আচাৰ-আচৰণৰ দ্বাৰা গঠিত । আমাৰ সংসাৰ তথা পাৰিবাৰিক আৰু সমাজ জীৱন কিছুমান আচাৰ-আচৰণ অৰ্থাৎ অভ্যাসৰ দ্বাৰা গঠিত । পিতৃ-মাতৃ তথা গুৰুজনাক শ্ৰদ্ধা কৰা, নিজতকৈ সৰু জনক মৰম-চেনেহ কৰা হ'ল সহজাত সংস্কাৰ । কিন্তু ভগবানক সেবা কৰাটো হ'ল অভ্যাস । এনেদৰে আমি সৰুকালৰ পৰাই কিছুমান কু-সংস্কাৰ আৰু সু-সংস্কাৰ শিকি আহিছো ।

সৰুৰে পৰা ল'ৰা-ছোৱালীয়ে ডাঙৰে কৰা আচৰণ দেখি-শুনি নাইবা লগৰ ল'ৰা-ছোৱালী, কিতাপ-আলোচনা, চিনেমা আদিত দেখি বিচাৰ-বিবেচনা নকৰাকৈ বহুত কু-সংস্কাৰ অনুসৰণ কৰে । এইবোৰ মানুহৰ মনত দ'কৈ সোমাই পৰিলে, ইয়াক আঁতৰ কৰা টান হৈ পৰে । সাধাৰণতে মানুহৰ অসুখ হলেই আজিকালি ডাক্টৰৰ ওচৰলৈ ৰোগীক নিয়া হয় যদিও, আজিকালিও এনে বহুলোক আছে যিয়ে অসুখ হ'লে জৰা-ফুকা কৰাই, মালা- আঙঠি আদি পিন্ধে । ফলত ৰোগৰ প্ৰকোপ বাঢ়িহে যায় ।

এইবোৰৰ দৰে আমাৰ দেশত ধৰ্মৰ নামতো যথেষ্ট, কু-সংস্কাৰ বৰ্তি আছে । আনহাতে-অনিদ্ৰাৰে থাকি ঈশ্বৰক স্তুতি কৰা, মাটিৰ মূৰ্তিক গাখীৰ খুওৱা, বলি-বিধানৰ দ্বাৰা মংগল কামনা কৰা আদিৰ দৰে ধৰ্মীয় কু-সংস্কাৰ বহুদিনৰ পৰা সমাজত প্ৰচলিত হৈ আছে । এই অন্ধ বিশ্বাস তথা কু-সংস্কাৰবোৰে মানুহৰ মন দুৰ্বল কৰে । আৰ্থিকভাবে দুৰ্বল তথা নিৰক্ষৰ মানুহে চিকিৎসাৰ ব্যয় বহন কৰিব নোৱাৰা বাবে ওজা-সাধুবাবাৰ ওচৰলৈ যায়, নাইবা ভগবানৰ ওচৰত শৰণ লয় ।

Scanned by CamScanner

মানুহৰ মনৰ পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰ কৰিব পাৰিব কেৱল বিজ্ঞানে । বিজ্ঞান শিক্ষাই মানুহক যুক্তিৰে যিকোনো কথা বিচাৰ কৰি চাবলৈ শিকায় ।

আজিৰ ছাত্ৰ-ছাত্ৰীসকল কেৱল নিজে বিজ্ঞান শিক্ষাৰে যুক্তিবাদী হলে নহ'ব । তেওঁলোকে বিভিন্ন আলোচনা, সভা, পোষ্টাৰ, প্ৰদৰ্শনী, বাটৰ নাট আদিৰ জৰিয়তে কু-সংস্কাৰ আঁতৰ কৰিবলৈ চেষ্টা কৰিব লাগিব । এই ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠন, বিজ্ঞান ক্লাব আদিয়েও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে । সকলোৰে সমূহীয়া প্ৰচেষ্টাৰেহে সমাজৰ পৰা কু-সংস্কাৰ আঁতৰাব পৰা যাব ।

প্ৰশ্ন ঃ

(i) কু-সংস্কাৰ বুলিলে কি বুজা ? 2

(ii) আমাৰ দেশত ধৰ্মৰ নামত চলি থকা কু-সংস্কাৰৰ বিষয়ে লিখা । 2

(iii) ল'ৰা-ছোৱালীয়ে কেনেকৈ কু-সংস্কাৰ অনুসৰণ কৰে ? 2

(iv) সহজাত সংস্কাৰ বুলিলে কি বুজা ? 2

(v) মানুহৰ মনৰ পৰা কিহৰ জৰিয়তে কু-সংস্কাৰআৰু অন্ধবিশ্বাস আঁতৰ কৰিব পৰা যায় ? 2

(vi) কু-সংস্কাৰ আঁতৰাবলৈ ছাত্ৰ-ছাত্ৰীয়ে কি পদক্ষেপ লব পাৰে ? 2

**(ব্যাকৰণৰ প্ৰশ্ন)**

(vii) লোকক দেখি পাছত যি কৰা যায় - (এটা শব্দত প্ৰকাশ কৰা) 1

(viii) সন্ধি ভাঙা ঃ সংস্কাৰ 1

(ix) বিপৰীত অৰ্থৰ শব্দ লিখা - নিদ্ৰা 1

## [SECTION - B]

2. তলত দিয়া ইংগিত সমূহৰ সহায়ত দুশ (২০০) মান শব্দৰ ভিতৰত এটা গল্প লিখি তাৰ শিৰোনামা দিয়া আৰু গল্পটোৰ পৰা কি নীতি শিক্ষা পালা তাকো উল্লেখ কৰা 1 + 3 + 1

সিংহ এটাই জন্তুবোৰ খাদ্যৰ বাবে বধ কৰে .......................... জন্তুবোৰে নিৰ্ভয়ে থকাৰ বাবে সভা পাতিলে ...................... সিংহক জনালে নিতৌ এটা জন্তু পঠাব ........................ বুঢ়াৰ শহাৰ পাল ........................বাটত পলম ........................সিংহৰ খং ........................অইন এটা সিংহ কুঁৱাত দেখুৱালে ........................সিংহ কুঁৱাত জপিয়াই মৰিল ।

অথবা,

তলত দিয়া যিকোনো এটা বিষয় লৈ দুশমান শব্দৰ ভিতৰত এখন ৰচনা লিখা ঃ

(i) যিকোনো এটা ৰাষ্ট্ৰীয় উৎসৱ

(ii) অধ্যৱসায়

3. তোমাৰ অঞ্চলৰ বাট-পথৰ সমস্যাৰ বিষয়ে জনাই বাতৰি কাকতলৈ এখন প্ৰতিবেদন যুগুত কৰা । 5

4. যিকোনো এটা ফকৰা-যোজনা লিখা ঃ 5

(i) মুখতে বঁটা পায়, মুখতে কটা যায় ।

(ii) উপকাৰীক অজগৰে খায় ।

Scanned by CamScanner

ভাৱ সম্প্ৰসাৰণ কৰা (যিকোনো এটা) 5

(i) সমাজৰ প্ৰগতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'ব লাগিব ।

(ii) সময়ক মূল্য দিব নাজানিলে জীৱনত বিপৰ্যয় ঘটে, জীৱনলৈ ব্যৰ্থতা আহে ।

6. অৰ্থসহ বাক্য ৰচনা কৰা (যিকোনো ৫টা) 5

(i) নপতাফুকন (ii) বিনা মেঘে বজ্ৰপাত (iii) যাউতিযুগীয়া

(iv) হৰিভকত (v) দোপতদোপে (vi) বিধি-পথালি

## [SECTION - C]

7. তলত দিয়া শব্দবোৰৰ “স” বোৰ “ষ” হোৱাৰ কাৰণ উল্লেখ কৰা 4

দুষ্ট, যুধিষ্ঠিৰ, ভীষ্ম, সুষম

8 .(i) তলত দিয়া সমাসৰ ব্যাস বাক্য ভাঙি দেখুওৱা 4

কাপুৰুষ, বীণাপানি, দোমাহী, পুৰুষোত্তম

(ii) সমাস নিৰ্ণয় কৰা - 4

পঙ্কত জন্মে যি, গজৰ নিচিনা মূৰ্খ, আদি নাই যাৰ, নৰৰ যি অধম

9. তলত আঁচ মৰা শব্দসমূহৰ বিভক্তি নিৰ্ণয় কৰা 2

(i) চিকাৰলৈ অকলে নাযাবা

(ii) তেওঁৰ আচৰণত মই ক্ষুব্ধ

10. (i) মান্যাৰ্থত ব্যৱহাৰ হোৱা বহুবচনৰ চিনেৰে এটা বাক্যৰচনা কৰা 2

(ii) তুচ্ছাৰ্থত ব্যৱহাৰ হোৱা বহুবচনৰ চিনেৰে এটা বাক্যৰচনা কৰা ।

11. এটা শব্দত প্ৰকাশ কৰা- 4

(i) যি ঘটনা আগেয়ে ঘটা নাই -

(ii) যাক সহজে বুজা যায় -

(iii) যি গুণীৰ গুণ বুজিব পাৰে -

(iv) চোবাই খোৱা যি বস্তু -

## [SECTION - D]

12. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4 x 1 = 4

(i) ডিব্ৰুগড়ৰ কোনবোৰ কথাই বেজবৰুৱাক সন্তোষ দিছিল ? বুজাই লিখা

(ii) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা - কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ ।

(ii) মগনিয়াৰ পাঠটিৰ মূল ভাৱটি নিজৰ ভাষাত লিখা ।

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা - 2 x 1 = 2

Scanned by CamScanner

(i) ভূদেৱ চৌধুৰী টিংখঙলৈ কিয় গৈছিল ?

(ii) কথা - কবিতা বুলিলে কি বুজা ? ইয়াৰ দুটা বৈশিষ্ট্য লিখা।

(iii) কেনেধৰণে নিজৰ পৰিচয় দি আনন্দৰাম বৰুৱাই সন্তোষ লাভ কৰিছিল ?

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা 1 x 4 =

(i) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত ?

(ii) "ওমৰ তীৰ্থ" পুথিখনি কোনখন পুথিৰ ভাৱানুবাদ ?

(iii) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে ?

(iv) শীলভদ্ৰৰ প্ৰকৃত নাম কি ?

প্ৰসংগ - সংগতি দৰ্শাই ব্যাখ্যা কৰা - (যিকোনো এছোৱা) 4 x 1 =

(i) আঘোণৰ আকাশতে উৰুলিৰ ৰাগি আছে,
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি

(ii) তেৱেঁ কাম তেৱেঁ কৰ্মী তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্বখনিকৰ ।

তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা - 2 x 1 =

(i) শ্ৰীমন্ত মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য কি ?

(ii) আজি সুন্দৰৰ পূজা থাপনাত
যাচিবি কিহেৰ ষোড়শোপচাৰ - ষোড়শোপচাৰ কি বুজাই লিখা ।

(iii) জয়ন্তীৰ কবিসকলৰ কবিতাৰ বৈশিষ্ট্য সমূহ লিখা ।

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা - 1 x 4 =

(i) কবি কেশৱ মহন্তই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল

(ii) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম লিখা ।

(iii) মফিজুদ্দিন আহমেদ হাজৰিকাৰ প্ৰথম কবিতপুথিখনৰ নাম লিখা

(iv) শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতক কি বুলি অভিহিত কৰা হয় ?

✪✪✪✪✪

Scanned by CamScanner

**Sample Paper 2020**
**Answer Scheme**
**Subject : Assamese**
**Code - 114**
**Class - - XII**

**Set - 1**
**Maximum Number : 80**

**Time allowed 3 hours**

Section A : Reding (Comprehension) 15 Marks
B : Writing 25 Marks
C : Grammer 20 Marks
D : Literature /Tax Books 20 Marks

## Section - A

1. i) আমাৰ সমাজত প্ৰচলিত যিবোৰ ধাৰণা ভ্ৰান্ত বুলি প্ৰমাণিত হলেও অন্ধভাবে পালন কৰা হয় তাকে কুসংস্কাৰ বোলে। 2

ii) আমাৰ দেশত ধৰ্মৰ নামত চলি অহা কুসংস্কাৰবোৰ হ'ল – অনাহাৰ-অনিদ্ৰাৰে থাকি ঈশ্বৰক স্তুতি কৰা, মাটিৰ মূৰ্তিক গাখীৰ খুওৱা, বলি-বিধানৰ দ্বাৰা মংগল কামনা কৰা। 2

iii) ল'ৰা-ছোৱালীয়ে ডাঙৰ কৰা আচৰণ দেখি-শুনি বা লগৰ ল'ৰা-ছোৱালী, কিতাপ-আলোচনী, চিনেমা আদিত দেখি বিচাৰ-বিবেচনা নকৰাকৈ বহুত কু-সংস্কাৰ অনুসৰণ কৰে। 2

iv) পিতৃ-মাতৃ তথা গুৰুজনাক শ্ৰদ্ধা কৰা নিজতকৈ সৰু জনক মৰম-চেনেহ কৰা হ'ল সহজাত সংস্কাৰ। 2

v) মানুহৰ মনৰ পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰ কৰিব পাৰিব কেৱল বিজ্ঞানে। বিজ্ঞান শিক্ষাই মানুহক যুক্তিৰে যিকোনো কথা বিচাৰ কৰি চাবলৈ শিকায়। 2

vi) ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন আলোচনা, সভা, পোষ্টাৰ, প্ৰদৰ্শনী, বাটৰ নাট আদিৰ জৰিয়তে কু-সংস্কাৰ আঁতৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। 2

vi) অনুকৰণ, vii) সম্ + কাৰ viii) জাগৰণ 1+1+1=3

## Section - B

2. i) ছাত্ৰ-ছাত্ৰীয়ে সংকেতিক বাক্যৰ সহায়ত গল্পটো লিখি এটা উপযুক্ত শিৰোনামা আৰু এটা নীতিশিক্ষা লিখিব 1+3+1=5

নাইবা

ii) ছাত্ৰী-ছাত্ৰীয়ে প্ৰশ্নোল্লিখিত যিকোনো এটা বিষয়ৰ ৰচনা লিখা।

3. প্ৰতিবেদন লিখোতে ছাত্ৰ-ছাত্ৰীয়ে এটা আকৰ্ষনীয় শিৰোনামা দি বিদ্যালয় সংবাদদাতা বা স্থানীয় সংবাদদাতা, স্থান, তাৰিখ আদি লিখি প্ৰতিবেদনখনত বিদালয়ৰ নাম সাংকেতিক চিনত লিখি চমুকৈ প্ৰস্তুত কৰিব। আবেদন হিচাপে সম্পাদকলৈ লিখিব নালাগে। 5

4. যিকোনো এটা ফকৰা-যোজনাৰ গুঢ়াৰ্থ বুজাই লিখিব। 5

5. ছাত্ৰী-ছাত্ৰীয়ে উল্লেখ কৰা বাক্য আৰু পদ্যাংশ পঢ়ি তাৰ যিকোনো এটাৰ ভাব বুজাই লিখিব। 5

6. তলত দিয়া বিশেষ বিশেষ শব্দৰ অৰ্থ লিখাৰ লগতে শব্দটোৰ বাক্য ৰচনা কৰিব। 5

Scanned by CamScanner

## Section - C

7. কণ্ঠ-ট বৰ্গৰ বৰ্ণৰ লগত যুক্ত দন্ত্য স মূৰ্দ্ধনা হয়। 1x4=4

যুধিষ্ঠিৰ- ভূমি, গো, অংগু শব্দৰ পিছত থকা স্থা শব্দৰ স আৰু যুধি শব্দৰ পিছত থকা স্থিৰ শব্দৰ দন্ত্য স মূৰ্দ্ধণা ষ হয়।

ভীষ্ম - কিছুমান শব্দত স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়।

সুষম - সু, বি উপসৰ্গৰ পিছত থকা সম শব্দৰ স মূদ্ধন্য ষ হয়।

8. i) কাপুৰুষ কু যি পুৰুষ / বীণাপানি - বীণ আছে পাণিত যাৰ/ দোমাহী - দুই মাহৰ সমাহাৰ/পুৰুষোত্তম - উত্তম যি পুৰুষ 1x4=4

ii) পঙ্কত জন্মে যি - পঙ্কজ 1x4=4

গজাৰ নিচিনা মূৰ্খ - গজমূৰ্খ

আদি নাই যাৰ — অনাদি

নৰৰ যি অধম - নৰাধম

9. i) চতুৰ্থী বিভক্তি ii) সপ্তমী বিভক্তি — 1x2=2

10. i) মান্যাৰ্থত ব্যৱহাৰ হোৱা (গণ, মণ্ডলী, সকল বৃন্দ) যিকোনো এটা চিনেৰে এটা বাক্যৰচনা কৰিব। 1

ii) তুচ্ছাৰ্থত ব্যৱহাৰ হোৱা (বোৰ, মখা, হ'ত) যিকোনো এটা চিনেৰে বাক্যৰচনা কৰিব। 1

11. এটা শব্দত প্ৰকাশ — 1x4=4

(i) অভূতপূৰ্ব (ii) সহজবোধ্য, (iii) গুণগ্ৰাহী, (iv) চৰ্ব্য

## Section - D

12. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা - 4x1=4

i) পাঠভিত্তিক কথাখিনি ছাত্ৰ-ছাত্ৰীয়ে লিখিব।

ii) প্ৰসঙ্গ সংগতি দৰ্শাই নিয়মানুসৰি পাঠৰ লগত সংগতি থকা উত্তৰ লিখিব।

iii) 'মগনিয়াৰ' পাঠৰ লগত সংগতি ৰাখি উত্তৰ লিখিব।

13. যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 2x1=2

i) পাঠৰ লগত সংগতি থকা উত্তৰ চমুকৈ লিখিব।

ii) কথা কবিতা সম্পৰ্কে পাঠত পোৱা কথাখিনি লিখিলেই হ'ব।

iii) "আনন্দৰাম বৰুৱা" পাঠৰ প্ৰশ্ন অনুসৰি থকা উত্তৰ চমুকৈ লিখিব।

14. (i) উৰিষ্যাত, (ii) ওমৰ খয়ামৰ ৰুবায়েতৰ ভাবানুবাদ (iii) 'মহাবীৰ চৰিত'ৰ সংস্কৃত ব্যাখ্যাত (iv) ৰেৱতী মোহন চৌধুৰী

1x4=4

15. পাঠৰ লগত সংগতি ৰাখি যিকোনো এছোৱাৰ ব্যাখ্যা কৰিব 4x1=4

(i) নাইবা (ii)

16. i) পাঠৰ লগত সংগতি থকা উত্তৰ লিখিলেই হ'ব। 2x1=2

ii) 'ষোড়শোপচাৰ' শব্দৰ অৰ্থ পাঠত দিয়া ধৰণেৰে লিখিলে হ'ব।

iii) পাঠৰ লগত সংগতি থকা উত্তৰ লিখিলে হ'ব।

17. i) মোৰ যে কিমান হেঁপাহ, ii) লুইতৰ পাৰৰ অগ্নিসুৰ, iii) জ্ঞানমালিনী, (iv) মিনিকাঞ্চন সংযোগ। 1x4=4

------------x-----------

Scanned by CamScanner